**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-11-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে কালি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত হৈ টাই-আহোম পৰম্পৰাগত ফুৰালুঙৰ লগতে অসমীয়া খাদ্যাভ্যাস তথা সংস্কৃতিৰ আভাস লয়। ইয়াৰ পাছতে পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে আৰু নিশা কাজিৰঙাত উপস্থিত হয়। পৰ্যটন মেলাখনত দেশ-বিদেশৰ চাৰি শতাধিক প্ৰতিনিধিৰ সন্মুখত প্ৰদৰ্শনৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে থলুৱা সামগ্ৰীৰ প্ৰদৰ্শনীৰো আয়োজন কৰিছে।

oooooooo

গোৱাৰ ৰাজধানী পানাজীত চলি থকা ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি অষ্টম দিনা যদুমণি দত্তই পৰিচালনা কৰা 'জুইফুল' ছবিখন প্ৰদৰ্শিত হ'ব। ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত ছবিখন ইউনেস্ক' গান্ধী মেডেলৰ কাৰণে প্ৰতিযোগিতা শিতানত অৱতীৰ্ণ হৈছে। অসম-নাগালেণ্ডৰ সীমা বিবাদৰ প্ৰেক্ষাপটত দুয়োটা সম্প্ৰদায়ৰ দুগৰাকী মাতৃৰ মাজত গঢ়ি উঠা সম্পৰ্কৰ আলমত নিৰ্মাণ কৰা চিনেমাখন পৰৱীমৰ প্ৰদৰ্শনস্থলীত সন্ধিয়া প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে চলিত বছৰত জুইফুলকে ধৰি অসমীয়া ভাষাৰ তিনিখন চিনেমা ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ ভিতৰত ৰাজেশ ভূঞাৰ পৰিচালনাৰ স্বৰ্গৰথ ২৫ বছৰৰ বিৰতিত অসমৰ পৰা মূলসুঁতিৰ শাখালৈ নিৰ্বাচিত হোৱাৰ বিপৰীতে ৰবী শৰ্মা বৰুৱাৰ ৰ'দৰ পাখিও ভাৰতীয় পেনোৰামাত প্ৰদৰ্শিত হয়। কাইলৈ মহোৎসৱৰ অন্তিম দিন। চেক-ইংৰাজী আৰু জাৰ্মান ভাষাত নিৰ্মিত বহদান শ্লামাই পৰিচালনা কৰা ড্ৰাই ছিজন শীৰ্ষক চিনেমাখনেৰে প্ৰতিযোগিতাৰ প্ৰদৰ্শনৰ সামৰণি পৰিব।

oooooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাজ্যৰ মাজুলী আৰু যোৰহাট সংযোগী দলং তথা যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথছোৱা উন্নীতকৰণৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। তেওঁ ৪ মাহ ধৰি নিৰ্মাণকাৰ্য বন্ধ হৈ থকা যোৰহাট আৰু মাজুলী সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য অহা সপ্তাহৰ পৰাই পুনৰ আৰম্ভ কৰাৰ আশ্বাস দিয়ে।

ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ নেতৃত্বত এটা প্ৰতিনিধিৰ দলে কালি যোৰহাট আৰু মাজুলী সংযোগী দলঙৰ বন্ধ হৈ থকা নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ সংক্ৰান্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ৰ ভূৱন গামকে ধৰি কেইবাগৰাকীও নেতা মন্ত্ৰীগৰাকীৰ সাক্ষাৎকালত উপস্থিত থাকে।

আমাৰ আগৰ বাতৰিতে যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথছোৱা উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পত্ৰযোগে অৱগত কৰা বুলি উল্লেখ কৰা হৈছিল। পত্ৰখনত উল্লেখ কৰা অনুসৰি এই প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ বাবে ১১জন ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। এই প্ৰকল্পৰ অধীনত যান-বাহন পাৰ

হৈ যোৱাৰ বাবে ৯টা অধঃপথ বা আণ্ডাৰপাছ, পথচাৰীৰ বাবে ছটা আণ্ডাৰপাছ আৰু এখন উৰণ সেঁতুৰ লগতে ভালেমান আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পথটোৰ বাকী থকা কামখিনি শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

oooooo

মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত এতিয়াৰেপৰা নগৰাঞ্চলৰ লোকে ১০ শতাংশ প্ৰিমিয়াম দি ভূমিৰ বন্দৱস্তি ল'ব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্ত্ৰীসভাৰ এই সিদ্ধান্ত সদৰি কৰি কয়, যে গুৱাহাটী আৰু ৰাজ্যৰ নগৰাঞ্চলত ভূমিৰ প্ৰিমিয়াম যুক্তিসংগতকৰণৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। সেই অনুসৰি মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ নিষ্পত্তিৰ বাবে অনুমোদিত অথচ প্ৰিমিয়াম পৰিশোধৰ বাবে বাকী থকা আবেদনসহ নগৰাঞ্চলত চৰকাৰী ভূমি নিষ্পত্তিৰ বাবে চৰ্তসাপেক্ষে প্ৰেৰণৰ বাবে প্ৰযোজ্য প্ৰিমিয়ামৰ ১০ শতাংশ হাৰত নিষ্পত্তি প্ৰিমিয়াম যুক্তিসংগত কৰা হ'ব। অৰ্থাৎ চৰকাৰী মূল্যৰ ১০ শতাংশ আদায় দিয়েই ভূমি ম্যাদী কৰিব পাৰিব। অৱশ্যে এই  আন ৯০ শতাংশ প্ৰিমিয়াম আদায় দিহে এই মাটি বিক্ৰী কৰিব পাৰিব।

ooooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই কিউ আৰ ক'ডযুক্ত নতুন পানকাৰ্ডৰ প্ৰচলনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কৰদাতাক অধিক সুবিধা দিয়া আৰু ব্যৱসায়ীৰ কাম-কাজ সুচল কৰাৰ বাবেই মন্ত্ৰীসভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি মন্ত্ৰীসভাত এই সিদ্ধান্তৰ কথা ঘোষণা কৰি কয়, যে PAN কাৰ্ডৰ দ্বিতীয় পৰ্যায়ৰ এই নতুন প্ৰকল্পটোৰ বাবে এহেজাৰ ৪৩৫ কোটি টকা ব্যয় কৰা হ'ব। তেওঁ লগতে কয়, যে কিউ আৰ ক'ডযুক্ত PAN কাৰ্ডৰ ব্যৱস্থা জনসাধাৰণৰ তথ্য আৰু বেংক একাউণ্ট সুৰক্ষিত ৰখাৰ লগতে ইয়াৰ ফলত বিত্তীয় জালিয়াতিৰ আশংকা দূৰ হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই কিউ আৰ ক'ড থকা PAN কাৰ্ড উলিয়াবলৈ সুকীয়াকৈ কোনো মাচুল বা ধন ব্যয় কৰাৰ প্ৰয়োজন নহয়।

ooooooo

সমাপ্ত